**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-12-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

***HEADLINES***

১। দিব্যাংগসকলক সম পৰ্যায়ৰ বুলি গণ্য কৰা সমাজহে প্ৰকৃত অৰ্থত উন্নত সমাজ বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছে।

২। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভুৱা বাতৰিক গণতন্ত্ৰৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰিছে।

৩। কেন্দ্ৰীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে দেশত বৰ্তমানলৈ বিতৰণ কৰা ৰেচন কাৰ্ডসমূহৰ প্ৰায় ১০০ শতাংশকেই ডিজিটেল ৰূপ দিয়া হৈছে বুলি প্ৰকাশ কৰিছে।

৪। দেশৰ বিভিন্ন অংশত আজি প্ৰথম ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ জন্মবাৰ্ষিকী পালন কৰা হৈছে।

আৰু

৫। ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল ৰায়পুৰত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈছে।

ooooooo

দিব্যাংগসকলক সম পৰ্যায়ৰ বুলি গণ্য কৰিলেহে এখন সমাজক প্ৰকৃত অৰ্থত উন্নত সমাজ বুলি ক'ব পাৰি বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে উল্লেখ কৰিছে। আন্তঃৰাষ্ট্ৰীয় দিব্যাংগ দিৱস উপলক্ষে আজি নতুন দিল্লীত বিশেষভাৱে সক্ষম লোকসকলৰ সৱলীকৰণৰ বাবে উল্লেখযোগ্য অৱদান আগবঢ়োৱা ব্যক্তি আৰু প্ৰতিষ্ঠানসমূহক ৰাষ্ট্ৰীয় বঁটা প্ৰদান কৰি শ্ৰীমতী মুৰ্মুৱে এইদৰে মন্তব্য কৰে। তেওঁ কয়, যে দিব্যাংগসকলক পুতৌৰ নহয়, বৰং সন্মান আৰু মৰ্যাদাৰহে প্ৰয়োজন। দিব্যাংগসকলক প্ৰশংসা কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁলোকৰ অতুলনীয় সাফল্য সকলোৰে বাবে প্ৰেৰণাৰ উৎসস্বৰূপ। ৰাষ্ট্ৰপতিগৰাকীয়ে বিশেষকৈ ক্ৰীড়াৰ জৰিয়তে দিব্যাংগসকলৰ সবলীকৰণৰ ক্ষেত্ৰত চৰকাৰে পালন কৰি অহা ভূমিকাৰ বিষয়ে উল্লেখ কৰে। তেওঁ কয়, যে ২০১২ চনত অনুষ্ঠিত পেৰালিম্পিকছত ভাৰতে মাত্ৰ এটাহে পদক লাভ কৰিছিল, কিন্তু ২০২৪ চনৰ পেৰালিম্পিক্‌ছত দেশে ২৯ টা পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। ইয়াৰ পৰা দেশৰ পেৰা এথলিটসকলে লাভ কৰা অগ্ৰগতি স্পষ্ট হৈ পৰিছে বুলি শ্ৰীমতী মুৰ্মুৱে উল্লেখ কৰে।

ooooooooo

তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে ভুৱা বাতৰিক গণতন্ত্ৰৰ প্ৰতি ভাবুকি বুলি অভিহিত কৰিছে। লোকসভাত আজি শূন্যকালত উত্থাপিত পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি মন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যম, ভুৱা বাতৰি আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ আধাৰত প্ৰস্তুত কৰা ডীপ ফেকৰ ক্ষেত্ৰত কঠোৰ ব্যৱস্থা গ্ৰহণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। কৃত্ৰিম বুদ্ধিমত্তাৰ আধাৰত প্ৰস্তুত কৰা ডীপ ফেকৰ লেখীয়া বা-বাতৰি চিনাক্ত কৰি এইবোৰৰ বিৰুদ্ধে কাৰ্যব্যৱস্থা গ্ৰহণ কৰাৰ বাবে খচৰা নীতি প্ৰস্তুত কৰা হৈছে বুলিও তেওঁ লগতে সদনক জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ডিজিটেল ভাৰতৰ জৰিয়তে দেশত নতুন বিপ্লৱৰ সুচনা কৰিছে বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে দেশবাসীয়ে এই ক্ষেত্ৰত ইতিবাচক সুফল লাভ কৰিবলৈ সমৰ্থ হৈছে।

ooooooooo

কেন্দ্ৰীয় খাদ্য, ৰাজহুৱা বিতৰণ আৰু উপভোক্তা পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে কয় যে দেশত বৰ্তমানলৈ বিতৰণ কৰা ৰেচন কাৰ্ডসমূহৰ প্ৰায় ১০০ শতাংশকেই ডিজিটেল ৰূপ দিয়া হৈছে। লোকসভাত আজি শূন্যকালত উত্থাপিত পৰিপূৰক প্ৰশ্নৰ উত্তৰ দি শ্ৰী যোশীয়ে কয় যে বৰ্তমানলৈ ২০ কোটি ৫৮ লাখ পৰিয়ালক প্ৰদান কৰা ৰেচন কাৰ্ডৰ প্ৰায় আটাইবোৰেই

ডিজিটেল কৰি তোলা হৈছে। চৰকাৰে প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত হিতাধীকাৰীসকললৈ বিনামূলীয়াকৈ খাদ্য সামগ্ৰী প্ৰদান কৰিছে বুলি উল্লেখ কৰি তেওঁ কয় যে এই ব্যৱস্থা ২০২৯ বৰ্ষলৈ অব্যাহত থাকিব। এই আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰী পৰিয়ালসমূহৰ প্ৰতিগৰাকী লোকে মাহে ৫ কিলোগ্ৰামকৈ খাদ্য শস্য বিনামূলীয়াকৈ লাভ কৰি আহিছে বুলিও তেওঁ লগতে জানিবলৈ দিয়ে।

০০০০০০০০০

মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অন্নপূৰ্ণ দেৱীয়ে কাইলৈ নতুন দিল্লীত ভাৰতক বাল্য বিবাহমুক্ত দেশ হিচাপে গঢ়ি তোলাৰ বাবে ১০০ দিনীয়া সজাগতা অভিযান আনুষ্ঠানিকভাৱে মুকলি কৰিব। দিল্লীক বাল্য বিবাহমুক্ত ভাৰত অভিযানৰ এবছৰ সম্পূৰ্ণ হোৱাৰ লগত সংগতি ৰাখি এই সজাগতা অভিযানৰ অধীনত বাল্য বিবাহ ৰোধ কৰাৰ সংকল্প গ্ৰহণ কৰা হ'ব আৰু দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰেৰণাদায়ক কাহিনীসমূহক আলম হিচাপে লৈ নিৰ্মাণ কৰা চলচ্চিত্ৰ প্ৰদৰ্শন কৰা হ'ব। এই অভিযানৰ জৰিয়তে মহিলা আৰু শিশু বিকাশ মন্ত্ৰালয়ে সমগ্ৰ দেশৰ জনসাধাৰণ, প্ৰতিষ্ঠান আৰু নেতৃস্থানীয় লোকসকলক এই আন্দোলনত যোগদান কৰিবলৈ আৰু বাল্য বিবাহমুক্ত ভাৰত গঢ়ি তোলাৰ বাবে আহ্বান জনাব। স্বাস্থ্য আৰু পৰিয়াল কল্যাণ, পঞ্চায়তী ৰাজ, গ্ৰামোন্নয়ন আৰু শিক্ষা মন্ত্ৰালয়ৰ ঘনিষ্ঠ সহযোগিতাৰে এই কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব। যোৱা বছৰ ২৭ নৱেম্বৰত আৰম্ভ কৰা বাল্য বিবাহমুক্ত ভাৰত অভিযানে যোৱা ২৭ নৱেম্বৰত এবছৰ সম্পূৰ্ণ কৰিছে।

০০০০০০০০০

দেশৰ বিভিন্ন অংশত আজি প্ৰথম ৰাষ্ট্ৰপতি ড° ৰাজেন্দ্ৰ প্ৰসাদৰ জন্মবাৰ্ষিকী পালন কৰা হৈছে। ১৮৮৪ চনত বিহাৰৰ জিৰাদেইত জন্মগ্ৰহণ কৰা ৰাজেন্দ্ৰ প্ৰসাদে দেশৰ স্বাধীনতা আন্দোলনত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ৰাজেন্দ্ৰ প্ৰসাদ ১৯৫০ চনৰ ২৬ জানুৱাৰীৰ পৰা ১৯৬২ চনৰ ১৩ মে'লৈ ৰাষ্ট্ৰপতি পদত অধিষ্ঠিত আছিল।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে জন্মবাৰ্ষিকী উপলক্ষে ৰাজেন্দ্ৰ প্ৰসাদলৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে জন্মবাৰ্ষিকী উপলক্ষে আজি ৰাষ্ট্ৰপতি ভৱনত দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতিলৈ পুষ্পাৰ্ঘ্য নিবেদন কৰে।

উপ-ৰাষ্ট্ৰপতি ড° চি পি ৰাধাকৃষ্ণণে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত ৰাজেন্দ্ৰ প্ৰসাদক মহান স্বাধীনতা সংগ্ৰামী ৰূপে স্মৰণ কৰে। তেওঁ কয়, যে প্ৰয়াত প্ৰসাদে সংবিধান সভাৰ সভাপতি হিচাপে নিজৰ বুদ্ধিমত্তাৰে সংবিধানৰ খচৰা প্ৰস্তুত কৰা পথ প্ৰদৰ্শন কৰিছিল। ড° প্ৰসাদৰ সৰলতা, সততা আৰু গণতান্ত্ৰিক প্ৰমূল্যৰাজিৰ প্ৰতি জীৱনজোৰা প্ৰতিশ্ৰুতিবদ্ধতাই ভৱিষ্যত প্ৰজন্মক অনুপ্ৰাণিত কৰি যাব বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জন্ম বাৰ্ষিকী উপলক্ষে দিয়া এটা ব্ৰাতাত কয়, যে স্বাধীনতা সংগ্ৰামত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰা আৰু সংবিধানসভাৰ সভাপতিত্বৰ দায়িত্ব পালন কৰাৰ পৰা দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতি হিচাপে ড° প্ৰসাদে অভূতপূৰ্ব মৰ্যাদা, উৎসৰ্গা আৰু স্পষ্ট উদ্দেশ্যৰে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়াই থৈ গৈছে। সৰলতা আৰু সাহসৰ বাবে দেশৰ প্ৰথমগৰাকী ৰাষ্ট্ৰপতিক প্ৰশংসা কৰি শ্ৰী মোদীয়ে কয়, যে তেওঁৰ সেৱা আৰু দৃষ্টিভংগীয়ে অনাগত প্ৰজন্মক অনুপ্ৰেৰণা যোগাই যাব।

০০০০০০০০০

শ্ৰীলংকাত ডিট্ৱাহ নামৰ ঘূৰ্ণীবতাহৰ ফলত মৃত্যু হোৱা লোকৰ সংখ্যা ৪৭৪ লৈ বৃদ্ধি পাইছে। ধুমুহাৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত কেন্দি জিলাত সৰ্বাধিক ১১৮ জন লোকে প্ৰাণ হেৰুৱাইছে।

ভাৰতে অপাৰেচন সাগৰ বন্ধুৰ অধীনত দেশখনলৈ মানৱীয় সাহায্য আগবঢ়াইছে আৰু উদ্ধাৰ অভিযানৰ বাবে হেলিকপ্টাৰ, জাহাজৰ উপৰি অন্য আহিলাপাতি নিয়োগ কৰিছে। আই এন এছ সুকন্যা নামৰ জাহাজৰ জৰিয়তে ত্ৰিংকোমালিলৈ যোগান ধৰা সামগ্ৰীসমূহ শ্ৰীলংকাৰ বায়ুসেনা বাহিনীৰ বিমানেৰে দেশখনৰ পূব প্ৰান্তৰ দূৰণিবতীয়া এলেকাসমূহলৈ লৈ যোৱা হৈছে। ইয়াৰ উপৰি ভাৰতীয় উদ্ধাৰকাৰী দলে ভালেসংখ্যক লোকক নিৰাপদ স্থানলৈ আঁতৰাই আনিবলৈ সমৰ্থ হৈছে। পুত্তলমত নিয়োজিত ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লোকে গৰ্ভৱতী মহিলা আৰু আহতকে ধৰি প্ৰায় ৮০০ গৰাকী আৱদ্ধ লোকক সুকলমে উদ্ধাৰ কৰিছে।

ইপিনে, ভাৰতীয় বায়ু সেনা বাহিনীৰ হেলিকপ্তাৰে কালি আকাশ মাৰ্গেৰে ৫ দশমিক ৫ টন সাহায্য সামগ্ৰী বিতৰণ কৰে। বাহিনীটোৱে দুৰ্গম এলেকাৰ পৰা ভালেসংখ্যক লোকক উদ্ধাৰ কৰিছে আৰু গুৰুতৰভাৱে আহতসকলক চিকিৎসা কেন্দ্ৰলৈ লৈ গৈছে।

০০০০০০০০০

দিল্লী পৌৰ নিগমৰ ১২টা ৱাৰ্ডৰ বাবে অনুষ্ঠিত উপ-নিৰ্বাচনত বিজেপিয়ে ৭ খন আসন লাভ কৰিছে। এই উপ-নিৰ্বাচনত আম আদমী পাৰ্টিয়ে ৩ খন আৰু কংগ্ৰেছ আৰু অল ইণ্ডিয়া ফৰৱাৰ্ড ব্লক দলে এখনকৈ আসনত জয়লাভ কৰিছে। ফলাফল ঘোষণা হোৱাৰ পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত চান্দনী চৌক সমষ্টিৰ সাংসদ প্ৰবীণ খাণ্ডেলৱালে কয় যে পৌৰ নিগমৰ নিৰ্বাচনৰ ফলাফলত দিল্লীত বিজেপিয়ে কৰা কাম-কাজৰ প্ৰতিফলন পৰিলক্ষিত হৈছে।

উল্লেখযোগ্য যে যোৱা ৩০ নৱেম্বৰত মুঠ ৫৮০ টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ সম্পন্ন হোৱা এই উপ-নিৰ্বাচনত ২৬ গৰাকী মহিলাকে ধৰি মুঠ ৫১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছিল।

০০০০০০০০০

ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ তিনিখনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। খেলখনত ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ আমালৈ বাতৰি অহাৰ পৰলৈকে  এক অ'ভাৰত এটাও উইকেট নেহেৰুৱাকৈ ১৭ ৰান সংগ্ৰহ কৰিছে। ভাৰতৰ হৈ ৰোহিত শৰ্মাই ১ আৰু যশস্বী জয়ছোৱালে ৮ ৰান কৰি খেলি আছে।

ভাৰতে প্ৰথমখন এদিনীয়াত ১৭ ৰানত বিজয় সাব্যস্ত কৰি শৃংখলাটোত সম্প্ৰতি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। খেলখনত প্ৰথমে বেট ধৰি বিৰাট কোহলিৰ অনবদ্য শতকৰ সহায়ত ভাৰতে ৮টা উইকেটৰ বিনিময়ত ৩৪৯ ৰান সংগ্ৰহ কৰিছিল। কুলদ্বীপ যাদৱে ৪টা উইকেট দখল কৰে। ৰাঁচীত অনুষ্ঠিত এই খেলতে ৰোহিত শৰ্মাই এদিনীয়া ক্ৰিকেটত শ্বাহিদ আফ্ৰিদীৰ ৩৫১টা ছিক্সাৰৰ অভিলেখ পাৰ কৰি শীৰ্ষস্থানলৈ অগ্ৰসৰ হয়।

০০০০০০০

**সমাপ্ত**